# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-06-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ লোৱা উপলক্ষে বিশ্বৰ নেতাসকলে তেওঁলৈ জনোৱা শুভেচ্ছা বাৰ্তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডেয়েও কৈছে যে দুয়োখন দেশৰ জনসাধাৰণৰ মাজত মানৱাধিকাৰ, বৈচিত্ৰ আৰু আইনৰ শাসনৰ ওপৰত আধাৰিত সম্পৰ্ক আগুৱাই নিয়াৰ বাবে কাম কৰিবলৈ কানাডা সাজু। কানাডাৰ প্ৰধানমন্ত্ৰীক দিয়া এটা উত্তৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত কানাডাৰ সৈতে পাৰস্পৰিক বুজাবুজি আৰু পৰস্পৰৰ চিন্তাধাৰাৰ প্ৰতি সন্মানৰ ভিত্তিত কাম কৰিবলৈ আগ্ৰহী।

ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পিটেৰি অৰ্পই তেওঁৰ শুভেচ্ছাবাণীত কয় যে পাৰস্পৰিক সম্পৰ্কৰ বিস্তাৰ কৰিবলৈ তেওঁ আগ্ৰহী আৰু জনসাধাৰণৰ মংগলৰ বাবে একেলগে কাম কৰি যাবলৈ তেওঁ সাজু। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ উত্তৰত কয় যে ভাৰত-ফিনলেণ্ডৰ সম্পৰ্কত দুয়োখন দেশৰ অংশীদাৰিত্ব আৰু অধিক সুদৃঢ় কৰাৰ বাবে ফিনলেণ্ডৰ সৈতে কাম কৰিবলৈ আগ্ৰহী।

শ্ল'ভেনিয়াৰ প্ৰধানমন্ত্ৰী ৰৰ্বাট গ'ল'বে তেওঁৰ শুভেচ্ছাবাৰ্তাত কয় যে দুয়োখন দেশ পৰস্পৰৰ সম্পৰ্ক সুদৃঢ় কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত সহযোগিতা আগবঢ়াবলৈ তৎপৰ।

মাইক্ৰ'ছফ্‌টৰ প্ৰতিষ্ঠাপক বিল গেটছে প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়টো কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰীমোদীক শুভেচ্ছা জনাই এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বৰ উদ্ভাৱনৰ উৎস হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰিছে। তেওঁ স্বাস্থ্য, কৃষি, মহিলা নেতৃত্ব আৰু ডিজিটেল পৰিৱৰ্তনৰ নিচিনা বিষয়ত গোলকীয় প্ৰগতি অনাৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিক শক্তিশালী কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি কৰে। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ'ব। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ প্ৰথমটো সিদ্ধান্তই কৃষকসকলৰ কল্যাণৰ হকে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁৰ চৰকাৰ কৃষকসকলৰ উন্নয়নৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত এই পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি দুহেজাৰকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

oooooooo

দেশৰ নিৰ্বাচন আয়োগে ৭খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। ১৩টা বিধানসভা সমষ্টিৰ ভিতৰত পশ্চিমবংগৰ ৪টা, হিমাচল প্ৰদেশৰ ৩টা, উত্তৰাখণ্ডৰ দুটা আৰু বিহাৰ, তামিলনাডু, মধ্যপ্ৰদেশ, পঞ্জাবৰ এটাকৈ সমষ্টি আছে। নিৰ্বাচন আয়োগে জনোৱা মতে এই বিধানসভা সমষ্টিকেইটাৰ অহা ১০ জুলাইত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ১৩ জুলাইত ভোটগণনা কৰা হ'ব।

0000000

ইম্ফলৰ জিৰিবাম পথৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ কটলেন গাঁৱত আজি পুৱা চাৰে ১০ বজাত মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ আগে আগে যোৱা নিৰাপত্তাৰক্ষীৰ কনভয়ত সন্দেহযুক্ত উগ্ৰপন্থীয়ে আক্ৰমণ চলোৱাৰ ফলত মৈৰাংথেম আজেশ নামৰ এজন আৰক্ষী জোৱান গুৰুতৰভাৱে আহত হয়। আহতজোৱানক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ঘটনাস্থলীত অতিৰিক্ত নিৰাপত্তা বাহিনী উপস্থিত হৈ অভিযান আৰম্ভ কৰিছে। ইপিনে, মুখ্যমন্ত্ৰী বীৰেন সিঙে কাইলৈ জিৰিবাম জিলা ভ্ৰমণ কৰি আইন-শৃংখলা পৰিস্থিতিৰ বুজ ল'ব বুলি জানিব পৰা গৈছে।

000000

কৃষি খণ্ডত শক্তিৰ উচিত প্ৰয়োগ সম্পৰ্কে দৰং জিলাৰ মঙলদৈত আজি এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কৃষি আৰু ইয়াৰ সৈতে সংযুক্ত ক্ষেত্ৰত বিভিন্ন যন্ত্ৰচালনাৰ বাবে ব্যৱহৃত ইন্ধনৰ ফলত পাৰিপাৰ্শ্বিকতাৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ দ্বাৰা বিকল্প শক্তিৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে কৃষকসকলক সজাগ কৰাৰ উদ্দেশ্যে জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত এই কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনত অধিক শস্য উৎপাদন আৰু জলবায়ুৰ সৈতে স্থিতিস্থাপকতা বৰ্তাই ৰাখি ইন্ধনৰ উচিত ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা হয়।

00000000

গোৱালপাৰা বনসংমণ্ডল প্ৰাধিকৰণ বিষয়াৰ নিৰ্দেশত জিলাখনৰ বিভিন্ন ঠাইত অবৈধ কাঠ আৰু কাঠ ফলা মিলৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। জিলাখনৰ কৃষ্ণাই অঞ্চলত আজি বন বিভাগে অভিযান চলাই প্ৰায় দুই লাখ টকা মূল্যৰ শাল গছৰ কুণ্ডাসহ এখন বাহন জব্দ কৰে। গোপন সূত্ৰৰ পম খেদি কৃষ্ণাই বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ে জিলা বনৰক্ষী দলৰ সহযোগত বিভিন্ন অঞ্চলত চোৰাং কাঠৰ বিৰুদ্ধে অভিযান চলায়।

0000000

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

00000000

**সমাপ্ত**